For members only

# যোগাযোগ

**JOGAJOG**
**October : 2017**

**Vol : 10 No: 1 Sl No: 109**

**Monthly Newsletter of Assam Association, Delhi**

*Editor (Hony):*
**Dr Sangeeta Dutta**
466, 3rd Floor
Shree Awas (L&T Aptt.)
Sector 18-B, Phase II, Dwarka
New Delhi-110078
Ph: +91 9910084548
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com

যোগাযোগ - ১০৯

**অক্টোবৰ ঃ ২০১৭**

## অসম এছোচিয়েছন, দিল্লীৰ নৱ নিৰ্বাচিত কমিটি

অসম এছোচিয়েছন, দিল্লীৰ ২০১৭-১৯ বৰ্ষৰ বাবে, কাৰ্য্যকৰী কমিটিৰ নিৰ্বাচনৰ বাবে ১৫ আগষ্ট, ২০১৭ তাৰিখে জাৰি কৰা অধিসূচনাৰ পাছত ১ চেপ্তেম্বৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হয়। মনোনয়ন পত্ৰ পৰীক্ষাৰ পাছত কোনো পদবীৰ বাবেই নিৰ্বাচন অনুষ্ঠিত কৰিব পৰাকৈ পৰ্য্যাপ্ত সংখ্যক প্ৰাৰ্থীৰ মনোনয় গ্ৰাহ্য কৰিব পৰা নগ'ল। আনহাতে, কাৰ্য্যকৰী সদস্য পদবীৰ ৫ খন আসনৰ বাবে মনোনয়ন পত্ৰও পোৱা নগ'ল। সেই অনুসাৰে মনোনয়ন পত্ৰ উঠাই লোৱাৰ অন্তিম দিন যোৱা ৭ চেপ্তেম্বৰত নিৰ্বাচন কমিটিয়ে এই প্ৰাৰ্থীসকলক নিৰ্বাচিত বুলি ঘোষণা কৰে। অচ্যুত কুমাৰ শইকীয়া (সভাপতি), ৰূপেন গোস্বামী (উপ-সভাপতি), অঞ্জলি বৰুৱা (উপ-সভানেত্ৰী), দীপক শইকীয়া (সাধাৰণ সম্পাদক), পবিত্ৰ কুমাৰ নাথ (কোষাধ্যক্ষ), বনজিৎ মজুমদাৰ (কাৰ্য্যকৰী সদস্য), অংশুমান বৰুৱা (কাৰ্য্যকৰী সদস্য), অৰুণা বৰুৱা (কাৰ্য্যকৰী সদস্যা), দেৱপ্ৰসন্ন দাস (কাৰ্য্যকৰী সদস্য), দিব্যজ্যোতি দত্ত (কাৰ্য্যকৰী সদস্য), হিৰণলাল দত্ত (কাৰ্য্যকৰী সদস্য), কুলেন দাস (কাৰ্য্যকৰী সদস্য)। খালী হৈ থকা পাঁচখন আসন উপ-নিৰ্বাচনেৰে পূৰ কৰা হ'ব।

# “বিয়লি চ’ৰা”-ৰ দ্বাৰা আন্তঃৰাষ্ট্ৰীয় বয়োজ্যেষ্ঠ ব্যক্তি দিৱস উদ্‌যাপন

ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ নিবাসী অসমীয়া বয়োজ্যেষ্ঠ সকলৰ মঞ্চ “বিয়লি চ’ৰা”-ই বিগত তিনি বছৰৰ দৰে এইবাৰো যোৱা ১ অক্টোবৰ তাৰিখে উদ্‌যাপন কৰে আন্তঃৰাষ্ট্ৰীয় বয়োজ্যেষ্ঠ ব্যক্তি দিৱস। বিভিন্ন কাৰ্য্যসূচীৰে শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনৰ প্ৰেক্ষাগৃহত এই অনুষ্ঠানৰ আয়োজন কৰা হয়।

“বিয়লি চ’ৰা”-ৰ সভাপতি বিকাশ চন্দ্ৰ বৰাদেৱৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু চিদা দাস, নিত্যা শইকীয়া, ডঃ মলয়া খাওন্দ, ৰীণা সন্দিকৈ, মাণিক দাশ, ডাঃ বিজয়মাধৱ হাজৰিকা আৰু ডঃ জয়ন্তীমালা বৰপূজাৰীৰ সমবেত কণ্ঠত ‘হে জয় ৰঘুৰ নন্দন’ ভক্তিমূলক গীতটিৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। সভাপতি বিকাশ চন্দ্ৰ বৰাদেৱৰ আদৰণি ভাষণৰ পিচতেই সেইদিনাৰ বাবে বিশেষভাৱে আমন্ত্ৰিত অতিথিবক্তা ডঃ জোহৰী লালদেৱক এখনি চেলেং চাদৰ আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। ডঃ জোহৰী লালদেৱে Holistic Approach to Health and Happiness শীৰ্ষক এটি কথিকা আগবঢ়ায় য’ত তেখেতে ঘাইকৈ বয়োজ্যেষ্ঠসকলৰ নিঃসংগতা, দুঃখ, ব্যাধি আদি জৰাজনিত সমস্যাবোৰৰ বিষয়ে ঘাইকৈ আলোচনা কৰে আৰু সেইবোৰৰ প্ৰতিবিধান কেনেকৈ কৰিব পাৰি সেই বিষয়ে কিছুমান বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়।

অসম এছোচিয়েছন, দিল্লীৰ নৱনিৰ্বাচিত সভাপতি অচ্যুৎ কুমাৰ শইকীয়াদেৱক “বিয়লি চ’ৰা”-ৰ ফালৰ পৰা এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয় আৰু তেখেতৰ হতুৱাই “বিয়লি চ’ৰা”-ৰ মুখপত্ৰ ‘বিয়লি’ৰ চতুৰ্থ সংখ্যাটো উন্মোচন কৰোৱা হয়। ভবানন্দ বৰবায়নদেৱে এটি সত্ৰীয়া নৃত্য পৰিৱেশন কৰি সেইদিনাৰ অনুষ্ঠানটোক এক সুকীয়া মাত্ৰা প্ৰদান কৰে। তেখেতকো “বিয়লি চ’ৰা”-ৰ ফালৰপৰা এখনি ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।

গ্ৰুপ কেপ্টেন অতুল চন্দ্ৰ বৰুৱাদেৱে তেখেতে গুৰিধৰা গুৱাহাটীস্থিত নিৰাশ্ৰয়া আদহীয়া আৰু বৃদ্ধা মহিলাৰ আশ্ৰয় আৱাস ‘চেনেহ’ৰ সেৱা আৰু সাফল্যৰ বিষয়ে দুআষাৰ কয়। অলপতে বিয়োগ ঘটা অসমৰ খ্যাতনামা নাট্যকাৰ, পৰিচালক তথা অভিনেতা আব্দুল মজিদ ডাঙৰীয়া আৰু সাংবাদিক তথা লেখক ৰাধিকা মোহন ভাগৱতী ডাঙৰীয়া স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলী তৰ্পন কৰা হয়। ২ অক্টোবৰৰ গান্ধী জয়ন্তী উপলক্ষে “বিয়লি চ’ৰা”-ৰ বৰ্ষীয়ান সদস্য ডঃ শৰত বৰুৱাদেৱৰ ৰচিত এটি কবিতা আবৃত্তি কৰে চিত্ৰলেখা দত্তই। গীত পৰিৱেশন কৰে নিজকে অসমীয়া বুলি কৈ গৌৰৱ কৰা মালায়ালী মূলৰ অসমীয়া জোঁৱাই সতীশ কুমাৰে।

সামৰণিত সেইদিনাৰ অনুষ্ঠানৰ প্ৰধান আকৰ্ষণ এখনি একাংকিকা নাট মঞ্চস্থ কৰা হয়। হিৰণ দত্ত ৰচিত আৰু ডঃ জয়ন্তীমালা বৰপূজাৰী পৰিচালনাত এই নাটকখনে উপস্থিত সকলো দৰ্শককে এক বিমল আনন্দৰ খোৰাক দিয়ে। এই ধেমেলীয়া নাটকখনৰ নাম আছিল “ফ্ৰী হ’ম ডেলিভাৰী”। নিজৰ নিজৰ অভিনয় প্ৰতিভাৰে সকলোৰে মন জয় কৰোঁতাসকল আছিল ডাঃ নিৰ্মল হাজৰিকা, ডাঃ নীলমণি শৰ্মা, উত্তৰা দাস, দেৱপ্ৰসন্ন দাস, নিতুমণি বৈশ্য আৰু সংগীত প্ৰসন্ন দাস।

সেইদিনাৰ এই অনুষ্ঠানটোৰ ভূয়সী প্ৰশংসা কৰে প্ৰতিজন দৰ্শকে। অনুষ্ঠানৰ আঁত ধৰে হিৰণ দত্তই।

*(বাতৰি ঃ ‘বিয়লি চ’ৰা”-ৰ সৌজন্যত)*

## ভাদমহীয়া নাম

প্ৰতিবছৰৰ দৰেই এইবাৰো দ্বাৰাকাবাসী অসমীয়া মহিলাসকলে পবিত্ৰ ভাদমহীয়া নাম লয়। যোৱা ১৭ আগষ্ট সংক্ৰান্তিৰ দিনাই দ্বাৰকাৰ প্ৰাগজ্যোতিষপুৰ এপাৰ্টমেণ্টত নামৰ আৰম্ভণি কৰে। ভাদ মাহৰ প্ৰত্যেক বৃহস্পতিবাৰে এই নাম লোৱা হয় আৰু এইবাৰ, ৫ দিনীয়া হয়। আনহাতে, এই নামভাগত এইবাৰ কেৱল দ্বাৰকাৰে নহয় দিল্লীৰ বিভিন্ন প্ৰান্তৰ, গুৰগাঁৱ, নয়দা আদিৰো অসমীয়া তথা অনা-অসমীয়া মহিলাসকলেও অংশগ্ৰহণ কৰে। অসমৰ পৰা দূৰৈত থাকিও অসমীয়া মহিলাসকলে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শৰাজি বজাই ৰাখিবলৈ চলোৱা প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়।

*(বাতৰি যুগুতালে ৰুমী শৰ্মাই)*

## 'সাময়িক'ৰ বাবে লিখা বিচৰা হৈছে

অসম এছোচিয়েছন, দিল্লী'ৰ মুখপত্ৰ 'সাময়িক'ৰ ভোগালী বিহু ২০১৮ সংখ্যাৰ বাবে গল্প, প্ৰবন্ধ, কবিতা আদি বিচৰা হৈছে। লেখাসমূহ তলত দিয়া ধৰণে হ'ব লাগিব ঃ- (১) এটা প্ৰতিলিপি নিজৰ হাতত ৰাখিহে লিখাসমূহ পঠাব। অপ্ৰকাশিত লিখাসমূহ ঘূৰাই পঠোৱা নহ'ব। (২) বিতৰ্কিত বিষয় অথবা কোনো ব্যক্তি বা সম্প্ৰদায়ক হেয় কৰি লিখা কোনো ধৰণৰ ৰচনা প্ৰকাশ কৰা নহ'ব। (৩) লিখাসমূহ যথাসম্ভৱ চুটি হোৱাটো বাঞ্ছনীয়। দুটা শব্দ আৰু শাৰীৰ মাজত যথেষ্ট ঠাই এৰিব লাগিব। (৪) অতি পৰিষ্কাৰকৈ ফুলস্কেপ (A-4 Size) কাগজৰ এপিঠিত লিখিব। চাৰিওফালে কমেও আহে চে.মি. কৈ ঠাই এৰিব। (৫) লেখকৰ ফোন নম্বৰ, ঠিকনা তথা একপি পাচপ'ৰ্ট চাইজৰ ফটোসহ লিখাসমূহ অহা ৩০ নৱেম্বৰ, ২০১৭ৰ ভিতৰত পোৱাকৈ তলৰ ঠিকনাত পঠাব ঃ-

Manik Chandra Dash,
Editor, SAMAYIK,
c/o Dr. Rampal singh
H No. 112 (2nd Floor),
Gali No. 4, Opposit ICICI Bank ATM,IG
Main IGNOU Road,
New Delhi-110068
E-mail : manikdash@yahoo.co.in
Ph No: 9810704392

## নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজন

বিগত কেইবছৰৰ দৰে অহা ৩, ৪ আৰু ৫ নৱেম্বৰত পঞ্চম বাৰৰ বাবে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজন কৰা হৈছে। নতুন দিল্লীস্থ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰত বাৰেবৰণীয়া কাৰ্য্যসূচীৰে এই ফেষ্টিভেল অনুষ্ঠিত হ'ব। এইবাৰ প্ৰধান উদ্দেশ্য হ'ব উত্তৰ-পূৰ ভাৰতৰ সৈতে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ যোগসূত্ৰ স্থাপন। ইয়াৰ অংশ হিচাপে আয়োজন কৰা হৈছে— উত্তৰ পূৰ্বাঞ্চলৰ উদ্যোগিক, কৃষিজাত, হস্তকলা আৰু হস্তশিল্প সামগ্ৰীৰ আৰ্হিৰ প্ৰদৰ্শন, বাণিজ্যিক মেলা, সংবাদমাধ্যম তথা নীতি নিৰ্মাতা সকলৰ সৈতে যোগাযোগ স্থাপন, আলোচনা চক্ৰ,

পৰ্য্যটন আৰু বস্ত্ৰশিল্পৰ সন্দৰ্ভত বিশেষ আলোচনা চক্ৰ, সাংস্কৃতিক সন্ধিয়া আৰু অন্যান্য বহুতো কাৰ্য্যসূচী।

নৰ্থ ইষ্ট ফেষ্টিভেলৰ প্ৰধান উদ্যোক্তা শ্যামকাণু মহন্তই এই যোগাযোগৰ দ্বাৰাই সকলো দিল্লী তথা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজক নৰ্থ ইষ্ট ফেষ্টিভেললৈ আমন্ত্ৰণ জনাইছে। ৰাইজৰ আস্থা আৰু বিশ্বাসৰ বলতেই এই ফেষ্টিভেলৰ দ্বাৰা উত্তৰ পূৰ্বাঞ্চলক ৰাষ্ট্ৰীয় পৰ্য্যায়ত এক সুকীয়া আসনত প্ৰতিষ্ঠিত কৰিব পৰা যাব বুলি তেওঁ আশাবাদী।

*(বাতৰি যুগুতালে ডাঃ শশাংক শেখৰ দত্তই)*

## অসম এছোচিয়েছন, দিল্লীৰ আজীৱন সদস্য হওক

অসম এছোচিয়েছন, দিল্লীৰ সদস্য হ'বলৈ ইচ্ছুক ব্যক্তিসকলে প্ৰয়োজনীয় ফৰ্ম পূৰাই সদস্যতাৰ বাবে আবেদন কৰিব পাৰিব। আবেদনকাৰীসকলে নিজৰ পাচপৰ্ট আকাৰৰ এখনকৈ ফটো আৰু লগতে আজীৱন সদস্যতাৰ মাচুল (২৫০০ টকা) জমা দিব লাগিব। স্বামী-স্ত্ৰী দুয়ো সদস্যতা ল'ব খোজা দম্পতীয়ে মুঠতে ৪০০০ টকা দিব লাগে।সদস্যতাৰ মাচুল কেৱল "Assam Association, Delhi"-ৰ নামত চে'ক যোগেহে লোৱা হয়। সদস্যতা বিচাৰি জমা দিয়া আবেদন পত্ৰবোৰ এছোচিয়েছনৰ কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠকত বিবেচনা কৰাৰ পিছতহে গৃহীত হয়।

Matrimonial

## Matrimonial

Alliance invited for a highly educated (MPhil & PhD) 30years kalita girl, Research Fellow under Ministry of External Affairs, height 5ft 3inches, Rashi-Meen, caste no bar. Contact +91 9435011742/+91 9957824055

1/1

-Advertisement-

# Packers & Movers
## Assam Dooars Logistics

Guwahati : 9864042023, 9854849637

Tinsukia : 9864147344, 9085107761

Bongaigoan :9864477616,9435021374

Delhi : Chaman Plaza, Opp : ISKCON, East of Kailash, New Delhi–110065

**Tel : 011-32621128, 9212248342, 9811348342**

(Service all Over North East)

12/12